**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-06-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ তিনিগৰাকী অধ্যাপকে ২০২৫ বৰ্ষৰ Sci Rank Global Registryৰ বিশ্বৰ শীৰ্ষ পাঁচ শতাংশ বিজ্ঞানীৰ তালিকাত স্থান পাইছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ধনপতি ডেকা, পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড০ দেৱজ্যোতি দত্ত আৰু ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী ড০ বিশ্বজিৎ চাংমায়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এই সন্মানজনক স্বীকৃতি লাভ কৰিছে। তেওঁলোকৰ এই স্বীকৃতি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ গৱেষণা, শিক্ষা আৰু শৈক্ষিক উকৰ্ষতাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ লগতে বিশ্ববিদ্যালয়খনৰ বাবে এয়া এক গৌৰবৰ বিষয় হিচাপে পৰিগণিত হৈছে।

০০০

লোকপিয়ল-২০২৭ৰ কাৰ্য্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আজি চৰাইদেউত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত প্ৰশিক্ষণ আৰু ক্ষেত্ৰ পৰ্য্যায়ৰ কৰ্মীসকলৰ দক্ষতা বৃদ্ধিৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সভাখনত সঠিক তথ্য, শৃংখলাবদ্ধ প্ৰশিক্ষণ প্ৰক্ৰিয়া আৰু ক্ষেত্ৰ পৰ্য্যায়ৰ সু-সমন্বয় ৰক্ষা কৰা বিষয়ত আলোচনা কৰা হয়। চৰাইদেউ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সৰোজ সোণোৱালে এই সভাত সভাপতিত্ব কৰে। সভাখনত সহকাৰী আয়ুক্ত তথা কাৰ্য্যবাহী দণ্ডাধীশ অম্লান ফুকনে লোক-পিয়লৰ প্ৰস্তুতি আৰু পৰ্য্যায়সমূহৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ প্ৰশিক্ষণ আৰু তথ্য সংগ্ৰহৰ সময়ত নিজৰ দায়িত্বসমূহ তথা চৰকাৰী নিৰ্দেশসমূহ সুচাৰুৰূপে পালন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

০০০

অহা ২১ জুনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি শিৱসাগৰত আজি জিলাভিত্তিক যোগাসন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত নগৰৰ কালীপ্ৰসাদ সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰতিযোগিতাত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। চাৰিটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাৰ বিজয়ীসকলক অহা ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ মূল কাৰ্যসূচীত পুৰস্কৃত কৰা হ'ব। এই উপলক্ষে সেইদিনা ঐতিহাসিক ৰংঘৰৰ বাকৰিত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০

যোৰহাট জিলাৰ তিতাবৰত আজি বাণিজ্যিক উদ্দেশ্যেৰে ঘৰুৱা ব্যৱহৃত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ অপব্যৱহাৰ পৰীক্ষা কৰাৰ বাবে আকস্মিক পৰিদৰ্শন অভিযান চলোৱা হয়। তিতাবৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ পৰিদৰ্শক আৰু বিষয়াসকল এই অভিযান জড়িত আছিল। অভিযান কালত তেওঁলোকে বজাৰৰ মূল্য, নিৰ্ধাৰিত নিৰ্দেশনা অনুসৰণ কৰা হৈছে নে নাই আদি নিৰীক্ষণ কৰাৰ লগতে বাণিজ্যিক কাৰ্যকলাপত ঘৰুৱা

ৰন্ধন গেছৰ চিলিণ্ডাৰৰ অপব্যৱহাৰৰ পৰীক্ষা কৰে। পৰিদৰ্শনৰ সময়ত বিভিন্ন অনিয়ম চিনাক্ত কৰণ, ব্যৱসায়িক আচৰণ নিশ্চিতকৰণ আৰু প্ৰযোজ্য নীতি নিয়ম সম্পৰ্কে ব্যৱসায়ী আৰু গ্ৰাহকসকলৰ মাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

০০০

ধেমাজি সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত আজি এটা ক্ৰেছ চেণ্টাৰ, স্তনপান কক্ষ আৰু কিড্ছ প্লে জ'নৰ উদ্বোধন কৰা হয়। শিশুৰ যত্নৰ প্ৰসাৰৰ লগতে কৰ্মৰত মাতৃসকলক সহায় কৰাৰ উদ্দেশ্যে এই ক্ৰেছ চেণ্টাৰ আৰু স্তনপান কক্ষটো নিৰ্মাণ কৰা হয়। এ এইছ পি চিৰ কৰ্প'ৰেট চ'ছিয়েল ৰেছপনচিবিলিটি **চি এছ আৰৰ** পুঁজিৰ জৰিয়তে স্তনপান কেন্দ্ৰটো স্থাপন কৰা হৈছে। লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই ইয়াৰ উদ্বোধন কৰে। এই কাৰ্যসূচীত জিলা আয়ুক্ত ৰাহুল সুৰেশ জাবিৰ, এন এইছ পি চিৰ পৰিচালন সঞ্চালক, জিলা উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা সমাজকল্যাণ বিষয়া, শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া প্ৰমুখ্যে জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকলো উপস্থিত থাকে।

০০০

কোকৰাঝাৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত পলিঅ' টিকাকৰণ অভিযান সন্দৰ্ভত আজি এখন বৈঠক অনুষ্ঠিত হয়। সমাগত ৰাষ্ট্ৰীয় পলিঅ' টিকাকৰণ দিৱস উপলক্ষে গ্ৰহণ কৰা প্ৰস্তুতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে জিলা টাস্ক ফোৰ্চে দ্বিতীয়বাৰৰ বাবে এই বৈঠক অনুষ্ঠিত কৰে।

০০০

পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছো জবাহৰ নবোদয় বিদ্যালয়ত আজি এগৰাকী চাফাইকৰ্মী মহিলাৰ মৃত্যু হয়। বিদ্যালয়লৈ চাফাই কাম কৰিবলৈ গৈ ছিৰিৰ পৰা পিছলি পৰি মূৰত গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হৈ মৃত্যু মুখত পৰা মহিলাগৰাকী লংজাপ মিলনপুৰৰ মালৰিকা হাজৰিকা নাথ আছিল বুলি আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদতাতাই জনাইছে। পাছত বৈঠালাংছো আৰক্ষীয়ে মহিলাগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে।

০০০

মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত মঙলদৈৰ সোণালী পামৰ ৰজা ধৰ্মনাৰায়ণ সোঁৱৰণী ষ্টেডিয়ামত ফুটবল লীগ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজিৰে পৰা আৰম্ভ হোৱা এই প্ৰতিযোগিতা ১৫ বছৰ অনুৰ্ধ খেলুৱৈৰ মাজত খেলোৱা হৈছে। প্ৰতিযোগিতাৰ আজি উদ্বোধনীৰ দিনটোত অনুষ্ঠিত দুখন খেলত ইউনাইটেড ক্লাব আৰু কেহুঁতলি বাংগ্ৰীম ক্লাব বিজয়ী হয়।

০০০

ঃঃ সমাপ্ত ঃঃ